# ইউকেলিপ্টাছৰ বিষয়ে নানা কথা

-কৰবী বৰুৱা, স্নাতকোত্তৰ - উদ্ভিদ বিজ্ঞান, বি . এড্ প্ৰশিক্ষাৰ্থী

প্ৰত্যেকেই সপোনবোৰ হয়তো ইউকেলিপ্টাছৰ দৰে হোৱাটো বিচাৰে। মনৰ মাজৰে আওঁৰোৱাৰ দৰে, -“ মই ইউকেলিপ্টাছৰ দৰে ওখ হ’ ব বিচাৰোঁ। আকাশৰ সমান ওখ সপোনৰ পৰিধি চুম্বিব খোজো। “ সপোনৰ নানাৰঙী পৰিধিক চোৱাৰ আশা বাৰু সকলোৰে থাকে; কিন্তু কেতিয়াবা ইউকেলিপ্টাছৰ সেই ওখ আকাৰক বাদ দি গছজোপাৰ বিষয়ে কিবা তথ্য বিচাৰিছেনে? আহকচোন আজি আমি চিনাকি হওঁ সদায় দেখি থকা সেই ইউকেলিপ্টাছৰ অন্য এটা ৰূপৰ বিষয়ে –

পৰিচয়-

শ্ৰেণীবিভাজন: =

ৰাজ্য বা জগত(kingdom)- উদ্ভিদ ( Plantae)

বৰ্গ(order) – মায়ৰ্টেলচ্ ( Myrtales)

গোত্ৰ ( family)-মায়ৰ্টেচি ( Myrtaceae)

জাতি(genus)-ইউকেলিপ্টাছ (Eucalyptus)

অতিকৈ শুৱনি, আকাশলংঘী, জনপ্ৰিয় বিদেশী গছ ইউকেলিপ্টাছৰ প্ৰায় ৭০০ (সাতশ) তকৈও অধিক প্ৰজাতি আছে। ইউকেলিপ্টাছৰ গা-গছ কেতিয়াবা মিহি, খহটা বা টান জাতীয় হয়। ইয়াৰ ফলক সাধাৰণতে গাম নাট্ (Gumnut) বুলি কোৱা হয়।

প্ৰধানকৈ অষ্ট্ৰেলিয়াত পোৱা এই উদ্ভিদে অষ্ট্ৰেলিয়াৰ বনাঞ্চলৰ এক তৃতীয়াংশ সামৰি ৰাখিছে। ইউকেলিপ্টাছৰ অতি কম আয়াসতে হোৱা উৎপাদনৰ বাবে বৰ্তমান বহুতো দেশত ইয়াৰ চাহিদা ক্ৰমাৎ বৃদ্ধি পাইছে।

ইউকেলিপ্টাছৰ পৰিৱেশৰ ওপৰত প্ৰভাৱ: –

ইউকেলিপ্টাছ উদ্ভিদৰ আটাইতকৈ ডাঙৰ সমস্যাটোৱে হ’ ল পৰিৱেশৰ ওপৰত ইয়াৰ ঋণাত্মক প্ৰভাৱ। অতি কম কষ্টৰে উৎপাদন বৃদ্ধি হোৱাৰ বাবে বৰ্তমান ইয়াক পৃথিৱীৰ বিভিন্ন বনাঞ্চলতে

ৰোপণ কৰা হৈছে। কিন্তু ই জীৱ-জগতৰ বাবে উৎকৃষ্ট পৰিমাণে খাদ্য আৰু বাসস্থানৰ অভাৱ পূৰ কৰিব নোৱাৰে। ফলস্বৰূপে থলুৱা জন্তু আৰু পক্ষীগণৰ বাবে ই মূৰৰ কামোৰণিলৈ পৰিণত হৈছে। উদ্ভিদ জোপাৰ আকাৰৰ তুলনাত ইয়াৰ পাতৰ আকাৰ তুলনামূলকভাৱে যথেষ্ট সৰু হোৱাত বিভিন্ন ধৰণৰ প্ৰাণী যেনে-কিছু স্তন্যপায়ী প্ৰাণী (mammals), পক্ষী (birds) আৰু কীটপতঙ্গ (insects) আদিৰ বাসস্থানৰ বাবে অভাৱে দেখা দিছে। অৰ্থাৎ একপ্ৰকাৰে ক' বলৈ গ' লে এইবোৰ প্ৰাণীৰ জীৱন দুৰ্বিষহ কৰি তুলিছে।

স্থানীয় উদ্ভিদসমূহৰ তুলনাত ইউকেলিপ্টাছ সাধাৰণতে অগ্নিপ্ৰেমী হয়, অৰ্থাৎ জুইৰ প্ৰতি সংবেদনশীল হয়। ইয়াৰ কাৰণ হ' ল উদ্ভিজোপাত সন্নিৱিষ্ট হৈ থকা প্ৰাকৃতিক তৈলজাত পদাৰ্থ; যিবোৰ অতিকৈ দহনশীল। সেয়েহে এই তৈলজাত পদাৰ্থ পৰিৱেশৰ বাবে উপকাৰী বুলি গণ্য কৰিব নোৱাৰি। কিন্তু এই তৈলপদাৰ্থৰ বাবে ইউকেলিপ্টাছক কোনোধৰণৰ কীটপতঙ্গই আক্ৰমণ কৰিব নোৱাৰে। সেয়েহে ইউকেলিপ্টাছৰ বাবে ইয়াক এক ধনাত্মক দিশ ৰূপে মানি ল' ব পাৰি। এই তেলৰ বজাৰত চাহিদা আছে। বনানিকৰণৰ বাবে, সৌন্দৰ্য বৰ্ধনৰ বাবে, তেল উৎপাদন উদ্যোগৰ বাবে ক্ৰমান্বয়ে ভাৰতবৰ্ষতো ইউকেলিপ্টাছ ৰোপণৰ হাৰ বাঢ়ি গৈছে।

ইউকেলিপ্টাছে পৰিৱেশৰ ওপৰত পেলোৱা ঋণাত্মক প্ৰভাৱৰ বাবে বৰ্তমান পৰিৱেশ বিজ্ঞানী সকল চিন্তিত হৈ পৰা দেখা গৈছে। বিখ্যাত লেখিকা মহাশ্বেতা দেৱীয়ে ১৯৮৩ চনৰ আগষ্ট মাহত প্ৰকাশিত " Economy and political weekly "ত লিখিছে যে, – " মোৰ ভাৰতবৰ্ষ ক্ষুধাতুৰ, তৃষ্ণাতুৰ লোকেৰে ভৰি আছে। তেওঁলোকৰ থাকিবলৈ ঘৰ নাই, খেতি কৰিবলৈ মাটি নাই। পুৰুলিয়া, বাংকুৰা, মেদিনীপুৰ, সিংভূম, পালমৌ আদিত চৰকাৰৰ উদ্যোগত শ-শ-হাজাৰ বিঘা মাটিত ইউকেলিপ্টাছ ৰোপণ কৰা হৈছে। ইউকেলিপ্টাছে মোৰ ভোকাতুৰ, তৃষ্ণাতুৰ ভাৰতবৰ্ষৰ বুকুৰ পানী নাইকিয়া কৰিছে। মই সেইটো হ' ব দিবলৈ নিবিচাৰোঁ। এতিয়া সমগ্ৰ ভাৰতবৰ্ষতে এটা ইউকেলিপ্টাছ বিৰোধী আন্দোলন গঢ়াৰ বাহিৰে এই সমস্যাৰ কোনো সমাধান নাই। "

ইউকেলিপ্টাছৰ মাটিৰ ওপৰত প্ৰভাৱ: –

ইউকেলিপ্টাছে মাটিৰ সমতলভাগৰ পানী নাইকিয়া কৰে। মাটিৰ উৰ্বৰা শক্তিৰ বিলোপ ঘটায়। পৰিৱেশ বিজ্ঞানী সকলে ঠাৱৰ কৰিছে যে ইউকেলিপ্টাছৰ শিপাৰ পৰা এবিধ বিষাক্ত পদাৰ্থ নিৰ্গত হয়। এই বিষাক্ত ৰাসায়নিক পদাৰ্থৰ বিষক্ৰিয়াত অণুজীৱসমূহ মৰি যায়।

ইউকেলিপ্টাছ গছৰ তলত ঘাঁহ-বনো নগজে। ইউকেলিপ্টাছ থকা ঠাইৰ ওচৰে-পাজৰে খেতি-বাতি হোৱাটোও প্ৰায় অসম্ভৱ বুলি পৰিৱেশ বিজ্ঞানী সকলে ক' বলৈ বিচাৰে। ইউকেলিপ্টাছ গছৰ

শিপাবোৰে বহু দূৰৰ পৰা পানী টানে। ফলস্বৰূপে ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত জল সংকটে এক বৃহৎ সমস্যাৰূপে গা কৰি উঠিছে। সেয়েহে ইউকেলিপ্টাছ গছৰ প্ৰায় ১০০ ফুটমান দূৰলৈকে কোনোধৰণৰ খেতি-বাতিৰ বাবে উপযোগী নহয় বুলি পৰিৱেশ বিজ্ঞানী সকলে মত পোষণ কৰে।

কৰ্ণাটকত ৰায়ত সংঘ নামৰ খেতিয়ক সংঘ এটাই পৰিৱেশ সচেতন হিচাপে ৰাজ্য চৰকাৰক ইউকেলিপ্টাছ ৰোপণ বন্ধ কৰিবৰ বাবে দাবী কৰিছে। অন্যথা তেওঁলোকে অন্য ব্যৱস্থা গ্ৰহণ কৰিব বুলি চৰকাৰ পক্ষক সকীয়াই দিছে। তেওঁলোকে "ইউকেলিপ্টাছ ধৰ্বংস কৰাৰ আন্দোলন' ৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি দাবী গ্ৰহণ কৰিছে।

চিপকো আন্দোলনৰ নেতা সুন্দৰলাল বহুগুণাকে আদি কৰি বিখ্যাত পৰিৱেশ বিজ্ঞানী সকলেও ইউকেলিপ্টাছ থকা অঞ্চলসমূহ পৰিদৰ্শন কৰি ঠাৱৰ কৰিছে যে প্ৰকৃততে ইউকেলিপ্টাছে উপকাৰতকৈ অধিক অপকাৰহে কৰিছে।

যদিও ইউকেলিপ্টাছৰ উৎপাদনৰ ফলত বহু সংখ্যক লোকে বাণিজ্যৰ দিশত অগ্ৰগতি লাভ কৰিছে; কিন্তু ইয়াৰ ফলত হোৱা পৰিৱেশৰ ধ্বংসাত্মক ৰূপৰ বিষয়ে বিশ্ববাসী এতিয়াও অজ্ঞাত। সেয়েহে, বৰ্তমান সময়ত ইউকেলিপ্টাছৰ এই আন্ধাৰ ৰূপৰ বিষয়ে এখন স্ফটিকাকাৰ চাদৰৰ প্ৰয়োজন হৈছে, যিবোৰৰ দ্বাৰা আমাৰ সমাজ ৰক্ষা হ' ব, দেশ ৰক্ষা হ' ব; প্ৰকৃতি ৰক্ষা হ' ব। আৰু প্ৰকৃতি ৰক্ষা হ ' লেহে আমাৰ পৃথিৱীখন সুন্দৰ হ' ব। প্ৰথম আৰু প্ৰধান কৰ্তব্যই হ' ল সুন্দৰ পৃথিৱীৰ গঠন, য ' ত আমি প্ৰত্যেকেই স্বস্তিৰে নিশ্বাস এৰিব পাৰিম; ভৱিষ্যত প্ৰজন্মই সুখানুভূতিৰে উমলিব পাৰিব।